# স্পষ্টীকৰণ

যোৱা ইং ২১-১২-২০১৫ তাৰিখে "দৈনিক অগ্রদূত" কাকতত প্ৰকাশিত "আইন-শৃংখলাৰ অৱনতি ঘটিছে ধীৰেনপাৰাত" শীৰ্ষক বাতৰিটো আৰক্ষী আয়ুক্তৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত এক স্পষ্টীকৰণ যোগে কোৱা হৈছে যে যিবোৰ স্থানত অবৈধ সুৰা-গাঞ্জা আদিৰ ঘাটি দেখা যায় আৰক্ষীয়ে সেইবোৰ লগে লগে উচ্ছেদ কৰে।

এই সন্দৰ্ভত উপ-আৰক্ষী আয়ুক্ত (অপৰাধ) শাখাক তদন্ত কৰি এক প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

22/12/2015

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষীৰ মুখ্য কাৰ্য্যালয়
উলুবাৰী, গুৱাহাটী

# স্পষ্টীকৰণ

যোৱা ইং ২০-১২-২০১৫ তাৰিখে "জনসাধাৰণ" কাকতত প্ৰকাশিত "মাজ নিশালৈকে পথত বহে সুৰাৰ আড্ডা" শীৰ্ষক বাতৰিটো আৰক্ষী আয়ুক্তৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত এক স্পষ্টীকৰণ যোগে কোৱা হৈছে যে মহানগৰীৰ পথৰ দাঁতি, পদসেঁতু, উৰণীয়া সেঁতু আদিত জনচক্ষুৰ পৰা লুকাই বহু লোকে সুৰাৰ আড্ডা পতা পৰিলক্ষিত হয়। আৰক্ষীয়ে এনে ঘটনা পৰিলক্ষিত হোৱাৰ লগে লগে এনে লোকক কৰায়ত্ব কৰি তেওঁলোকৰ বিৰুদ্ধে আইনমতে যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰি আহিছে। আনহাতে যিবোৰ লোকে সুৰাপান কৰি গাড়ী চলায় তেওঁলোকৰ বিৰুদ্ধেও যান-বাহন আৰক্ষীয়ে আইনমতে বিহিত ব্যৱস্থা গ্ৰহণ কৰি আহিছে। সুৰাপান কৰি থকা যুৱকৰ পৰা ধন সংগ্ৰহ কৰাৰ কোনো অভিযোগ আৰক্ষীৰ হাতত নাই।

উক্ত বাতৰি সন্দৰ্ভত উপ-আৰক্ষী আয়ুক্ত (পূব), উপ-আৰক্ষী আয়ুক্ত (পশ্চিম) আৰু উপ-আৰক্ষী আয়ুক্ত (মধ্য)ক তদন্ত কৰি এক প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

22/12/2015

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষীৰ মুখ্য কাৰ্য্যালয়
উলুবাৰী, গুৱাহাটী

# স্পষ্টীকৰণ

যোৱা ইং ২১-১২-২০১৫ তাৰিখে "নিয়মীয়া বাৰ্তা" কাকতত প্ৰকাশিত "ফাঁচী বজাৰৰ পৰা নিয়ন্ত্ৰণ হয় কাঠৰ চোৰাং বেহা" শীৰ্ষক বাতৰিটো আৰক্ষী আয়ুক্তৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত এক স্পষ্টীকৰণ যোগে কোৱা হৈছে যে যিকোনোধৰণৰ কাঠৰ চোৰাং কাৰ্য্য নিয়ন্ত্ৰণৰ দায়িত্ব বন বিভাগক প্ৰদান কৰা হৈছে। বন বিভাগৰ ফালৰ পৰা আৰক্ষীৰ সহায় বিচাৰিলে এনেক্ষেত্ৰত আৰক্ষীয়ে সদায়েই সহায় কৰি আহিছে। গুৱাহাটী মহানগৰীত যিকোনো কাঠ পৰিবাহী বাহনক আৰক্ষীয়ে চৰকাৰী নথি-পত্ৰসমূহ পৰীক্ষা কৰিহে যাবলৈ দিয়ে আৰু যথোপযুক্ত নথি-পত্ৰ অবিহনে তেনে বাহনৰ বিৰুদ্ধে আইনমতে বিহিত ব্যৱস্থা গ্ৰহণ কৰি আহিছে। ফাঁচী বজাৰৰ কাঠৰ চোৰাং ব্যৱসায়ীৰ তথ্য বৰ্তমান আৰক্ষীৰ হাতত নাই আৰু এনে অভিযোগো লাভ কৰা হোৱা নাই।

এই সন্দৰ্ভত উপ-আৰক্ষী আয়ুক্ত (মধ্য)ক তদন্ত কৰি এক প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

22/12/2015

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষীৰ মুখ্য কাৰ্য্যালয়
উলুবাৰী, গুৱাহাটী